NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-08-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। চৰকাৰে এখন ৰাষ্ট্ৰ, এটা নিৰ্বাচন সম্পৰ্কীয় উচ্চ পৰ্যায়ৰ কমিটিখনে আগবঢ়োৱা পৰামৰ্শ গ্ৰহণ কৰিছে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে, গৱেষণা আৰু উন্নয়নৰ ক্ষেত্ৰত মহিলাৰ বৃহত্তৰ অংশগ্ৰহণ অকল দেশৰ সাংস্কৃতিক আৰু অৰ্থনৈতিক বিকাশৰ দিশৰ পৰাই নহয়, বৰং মহিলাৰ জীৱন-ধাৰণৰ মান উন্নীতকৰণৰ দিশৰ পৰাও গুৰুত্বপূৰ্ণ।

৩। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে ভৱিষ্যৎ প্ৰজন্মৰ বাবে ধৰিত্ৰীক ৰক্ষা কৰাৰ উদ্দেশ্যে সমূহীয়া প্ৰয়াসৰ হকে আহ্বান জনাইছে।

৪। জম্মু-কাশ্মীৰ বিধানসভাৰ প্ৰথম পৰ্যায়ৰ নিৰ্বাচন ইতিমধ্যে সম্পন্ন হৈছে।

*আৰু*

৫। ভাৰত আৰু বাংলাদেশৰ মাজৰ দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল কাইলৈ বাংগালুৰুত অনুষ্ঠিত হ'ব।

০০০০০০০

চৰকাৰে সমগ্ৰ দেশত একেদলগে নিৰ্বাচন অনুষ্ঠিত কৰাৰ পথ প্ৰশস্ত কৰাৰ উদ্দেশ্যে এখন ৰাষ্ট্ৰ, এটা নিৰ্বাচনৰ অৱধাৰণা চালিজাৰি চোৱাৰ বাবে গঠন কৰি দিয়া উচ্চ পৰ্যায়ৰ কমিটিখনে আগবঢ়োৱা পৰামৰ্শ গ্ৰহণ কৰিছে। কেন্দ্ৰীয় কেবিনেটৰ বৈঠকৰ অন্তত আজি নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে, প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দৰ অধ্যক্ষতাত গঠন কৰা কমিটিখনে ৰাজনৈতিক দল আৰু বিশেষজ্ঞসকলকে ধৰি বিভিন্ন পক্ষৰ সৈতে বিষয়টোলৈ বিস্তৃতভাৱে আলোচনা কৰিছে। তেওঁ কয় যে, কমিটিৰ পৰামৰ্শৱলী দুটা পৰ্যায়ত ৰূপায়ণ কৰা হ'ব। তেওঁ কয় যে, প্ৰথম পৰ্যায়ত লোকসভা আৰু বিধানসভা নিৰ্বাচন সমান্তৰালভাৱে অনুষ্ঠিত কৰাৰ বিপৰীতে পঞ্চায়ত আৰু নগৰ পালিকাৰ দৰে স্থানীয় নিকায়সমূহৰ নিৰ্বাচন সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হোৱাৰ ১০০ দিনৰ ভিতৰত অনুষ্ঠিত কৰা হ'ব। চৰকাৰে দেশৰ বিজ্ঞান আৰু প্ৰযুক্তি ক্ষেত্ৰৰ প্ৰসাৰৰ বাবে চন্দ্ৰযান-চাৰি অভিযান আৰু শুক্ৰৰ কক্ষপথ প্ৰদক্ষিণকাৰী অভিযানৰ প্ৰস্তাৱত অনুমোদন দিয়া বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয় যে, কেবিনেটে চন্দ্ৰপৃষ্ঠত সফলতাৰে অৱতৰ কৰাৰ পাছত পৃথিৱীলৈ ঘূৰি অহাৰ প্ৰযুক্তি বিকশাই তোলাৰ উদ্দেশ্যে চন্দ্ৰযান-চাৰি অভিযানত অনুমোদন জনাইছে। শ্ৰী বৈষ্ণৱে লগতে শুক্ৰ গ্ৰহৰ বাতাৱৰণৰ অধিক তথ্য আহৰণ আৰু বৈজ্ঞানিক অন্বেষণৰ বাবে শুক্ৰৰ পক্ষপথ প্ৰদক্ষিণকাৰী অভিযানত অনুমোদন দিয়া বুলি ঘোষণা কৰে। ২০২৮ চনৰ মাৰ্চত এই অভিযান আৰম্ভ কৰাৰ সম্ভাৱনা আছে। তেওঁ কয় যে, এই অভিযানৰ বাবে এহেজাৰ ২৩৬ কোটি টকাৰ অনুমোদন দিয়া হৈছে। ইয়াৰে ৮২৪ কোটি টকা মহাকাশযানৰ বাবদ ব্যয় কৰা হ'ব। চৰকাৰে ২০২৪-২৫ ৰবি শস্য বৰ্ষৰ বাবে ফছফৰাছযুক্ত আৰু পটেছিয়াম

যুক্ত সাৰৰ ক্ষেত্ৰত পৰিপুষ্টি আধাৰিত ৰাজসাহায্যৰ হাৰৰ প্ৰস্তাৱতো অনুমোদন জনোৱা বুলি শ্ৰী বৈষ্ণৱে ঘোষণা কৰে। ইয়াৰ বাবদ ২৪ হাজাৰ কোটিৰো অধিক টকা ব্যয় হ'ব। খেতিয়কসকলক উচিত মূল্য প্ৰদান কৰাৰ লগতে আৱশ্যকীয় সামগ্ৰীৰ মূল্যৰ উত্থান-পতন নিয়ন্ত্ৰণৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী অন্নদাতা আই সংৰক্ষণ অভিযান অব্যাহত ৰখাৰ প্ৰস্তাৱতো চৰকাৰে অনুমোদন জনোৱা বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয় যে, চৰকাৰে ৭৯ হাজাৰ ১৫৬ কোটি টকা ব্যয়ৰে প্ৰধানমন্ত্ৰী জনজাতীয় উন্নত গ্ৰাম অভিযানৰ প্ৰস্তাৱতো অনুমোদন দিছে। তেওঁ কয় যে, এই আঁচনিখনে প্ৰয়োজনীয় আন্তঃগাঁথনি, অৰ্থনৈতিক সৱলীকৰণ আৰু উন্নত শিক্ষা তথা স্বাস্থ্যসেৱা সুনিশ্চিত কৰি জনজাতীয় সম্প্ৰদায়সমূহৰ আৰ্থ-সামাজিক স্থিতি উন্নত কৰাত সহায় কৰিব। তেওঁ কয় যে, এই আঁচনিখনৰ অধীনত প্ৰায় ৬৩ হাজাৰ গাঁও সমৰি লোৱা হ'ব আৰু ইয়াৰ জড়িয়তে পাঁচ কোটিৰো অধিক জনজাতিয় লোক উপকৃত হ'ব। কেবিনেটে এনিমেছন, ভিজুৱেল ইফেক্ট, গেমিং, কমিক্স আৰু এক্সটেণ্ডেড ৰিয়েলিটিৰ বাবে ৰাষ্ট্ৰীয় উৎকৰ্ষ সাধন কেন্দ্ৰ স্থাপনৰ প্ৰস্তাৱতো অনুমোদন জনাইছে বুলি শ্ৰী বৈষ্ণৱে উল্লেখ কৰে। তেওঁ কয় যে, কেন্দ্ৰীয় কেবিনেটে জৈৱ সামগ্ৰীৰ নিৰ্মাণ আৰু বায়'ফাউণ্ড্ৰিৰ নতুন উপাদনৰ সৈতে জৈৱ প্ৰযুক্তি গৱেষণা উদ্ভাৱন আৰু উদ্যমশীলতা বিকাশ যোজনাৰ প্ৰস্তাৱতো অনুমোদন দিছে।

0000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে, গৱেষণা আৰু উন্নয়নৰ ক্ষেত্ৰত মহিলাৰ বৃহত্তৰ অংশগ্ৰহণ অকল দেশৰ সাংস্কৃতিক আৰু অৰ্থনৈতিক বিকাশৰ দিশৰ পৰাই নহয়, বৰং মহিলাৰ জীৱন-ধাৰণ উন্নয়নৰ দিশৰ পৰাও গুৰুত্বপূৰ্ণ। জয়পুৰৰ মালব্য ৰাষ্ট্ৰীয় প্ৰযুক্তি প্ৰতিষ্ঠানৰ অষ্টাদশ সমাৱৰ্তন সমাৰোহক সম্বোধন কৰি শ্ৰীমতী মুৰ্মুৱে আজি এইদৰে প্ৰকাশ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, মহিলাসকলক সমান সুযোগ প্ৰদান কৰিলে তেওঁলোকে শ্ৰেষ্ঠত্ব অৰ্জন কৰিব পাৰে। তেওঁ কয় যে শেহতীয়াকৈ দেশত বিদ্যালয়ত নামভৰ্তি কৰা ছোৱালীৰ সংখ্যা বৃদ্ধি পোৱাটো সঁচাকৈ আনন্দৰ বিষয়। ৰাষ্ট্ৰপতি মুৰ্মুৱে কয় যে, আমি ২০৪৭ চনৰ ভিতৰত দেশক এখন উন্নত ৰাষ্ট্ৰ হিচাপে গঢ় দিয়াৰ লক্ষ্য স্থিৰ কৰিছোঁ। ৰাষ্ট্ৰীয় বিকাশৰ ক্ষেত্ৰত নেতৃত্ব প্ৰদান কৰাটো শিক্ষাৰ্থীসকলৰ কৰ্তব্য বুলি শ্ৰীমতী মুৰ্মুৱে প্ৰকাশ কৰে। তেওঁ কয় যে, শিক্ষাৰ্থীসকলে তেওঁলোকৰ জ্ঞানৰ শক্তি আৰু দৃঢ় সংকল্পৰে দেশৰ ভৱিষ্যৎ গঢ়াৰ বাবে আগবাঢ়ি অহা উচিত। শ্ৰীমতী মুৰ্মুৱে লগতে কয় যে, শিক্ষাৰ্থীসকলৰ আশা-আকাংক্ষাসমূহ ৰাষ্ট্ৰৰ অনুৰূপ হ'ব লাগে আৰু তেওঁলোকে সমাজ তথা ৰাষ্ট্ৰৰ উন্নয়নৰ পথ প্ৰশস্ত কৰিব লাগে। ৰাষ্ট্ৰীয় গুৰুত্বৰ প্ৰতিষ্ঠানসমূহৰ শিক্ষাৰ্থীসকলে ৰাষ্ট্ৰ গঠন ভাৱনাৰে কাম কৰিব বুলি আশা কৰাটো স্বাভাৱিক বুলি ৰাষ্ট্ৰপতি মুৰ্মুৱে উল্লেখ কৰে। তেওঁ লগতে শিক্ষাৰ্থীসকলক পৰিৱেশৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাব পৰা প্ৰচেষ্টাৰ পৰা আঁতৰি থাকিবলৈ আৰু পৰিৱেশৰ সংৰক্ষণৰ বাবে প্ৰযুক্তি বিকশাই তুলিবলৈ আহ্বান জনায়। ৰাজস্থানৰ ৰাজ্যপাল হৰিভাউ কিষণৰাও বাগড়ে আৰু মুখ্যমন্ত্ৰী ভজনলাল শৰ্মায়ো অনুষ্ঠানত ভাষণ প্ৰদান কৰে। ৰাষ্ট্ৰপতিয়ে শিক্ষাৰ্থীসকলক স্বৰ্ণ পদক প্ৰদান কৰে আৰু ভাৰ্চুৱেল ব্যৱস্থাৰে প্ৰতিষ্ঠানখনৰ নতুন আৱাৰলী ছাত্ৰাবাস উদ্বোধন কৰে।

0000000

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে ভৱিষ্যৎ প্ৰজন্মৰ বাবে ধৰিত্ৰীক ৰক্ষা কৰাৰ উদ্দেশ্যে সমূহীয়া প্ৰয়াসৰ হকে আহ্বান জনাইছে। গান্ধীনগৰৰ মহাত্মা মন্দিৰত অনুষ্ঠিত গোলকীয় নৱীকৰণযোগ্য শক্তি সন্মিলনৰ সামৰণি অনুষ্ঠানত ভাষণ দি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে আজি এইদৰে আহ্বান জনায়। শ্ৰী ধনখড়ে কয় যে, ভৱিষ্যৎ প্ৰজন্মক এখন

বাসপোযোগী পৃথিৱী উপহাৰ দিয়াৰ বাবে পৰিৱেশৰ সংৰক্ষণৰ ক্ষেত্ৰত বৰঙণি আগবঢ়োৱাতো প্ৰতিগৰাকী ব্যক্তিৰ দায়িত্ব। তেওঁ কয় যে, ভাৰত ক্ৰমান্বয়ে বিকাশৰ পথেৰে অগ্ৰসৰ হৈছে আৰু দেশত তৃণমূল পৰ্যায়ত আমূল পৰিৱৰ্তন হৈছে। উদ্ভাৱন আৰু জলবায়ু পৰিৱৰ্তনৰ বিভিষীকাৰ সন্মুখীন হোৱাৰ বাবে নতুন পন্থাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে জলবায়ু সংৰক্ষণৰ বাবে দেশে চলোৱা প্ৰচেষ্টাৰ শলাগ লয়। অনুষ্ঠানত কেন্দ্ৰীয় নতুন আৰু নৱীকৰণযোগ্য শক্তিমন্ত্ৰী প্ৰহ্লাদ যোশী আৰু গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেল উপস্থিত থাকে।

০০০০০০০

জম্মু-কাশ্মীৰ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বিয়লি ৫ বজালৈকে ভোটদানৰ হাৰ ৫৮ দশমিক ১-৯ শতাংশ। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি আজি পুৱা ৭ বজাৰ পৰা  কঠোৰ নিৰাপত্তা ব্যৱস্থাৰ মাজেৰে কেন্দ্ৰীয় শাসিত অঞ্চলৰ ২৪টা বিধানসভা সমষ্টিত ভোটগ্ৰহণ প্ৰক্ৰিয়া সম্পন্ন হয়। কাশ্মীৰ উপত্যকাৰ ১৬ টা বিধানসভা সমষ্টিৰ ভিতৰত পাহলগাম বিধানসভা সমষ্টিত ভোটৰ হাৰ সৰ্বাধিক। সমষ্টিটোত সৰ্বোচ্চ ভোটৰ হাৰ হৈছে ৬৭ দশমিক ৮-৬ শতাংশ। ডি এইচ পুৰা বিধানসভা সমষ্টিত ভোটদানৰ হাৰ ৬৫ দশমিক ২-১ শতাংশ আৰু কুলগাম সমষ্টিত ভোটদানৰ হাৰ ৫৯ দশমিক ৫-৮ শতাংশ। ট্ৰাল বিধানসভা সমষ্টিত ভোটদানৰ হাৰ সৰ্বনিম্ন ৪০ দশমিক ৫-৮ শতাংশ। জম্মু সংমণ্ডলৰ ছেনাব উপত্যকাৰ  কিস্তবাৰ, দোদা আৰু ৰামবান জিলাৰ ৮টা বিধানসভা সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হয়। কিস্তৱাৰ জিলাৰ ইণ্ডাৰৱাল বিধানসভা সমষ্টিত ভোটদানৰ হাৰ সৰ্বাধিক ৮০ দশমিক ০-৬ শতাংশ। কিস্তৱাৰ বিধানসভা সমষ্টিত ৭৫ দশমিক ০-৪ শতাংশ, পদ্দেৰ নাগছেনিত ৭৬ দশমিক ৮-০ শতাংশ আৰু ভাদেৰবাহত ৬৫ দশমিক ২-৭ শতাংশ, পূব দোদাত ৭০ দশমিক ২-১ শতাংশ, পশ্চিম দোদাত ৭৪ দশমিক ১-৪ শতাংশ ৰামবানত ভোটদানৰ হাৰ হৈছে ৬৭ দশমিক ৩-৪ শতাংশ। সংবিধানৰ ৩৭০ নম্বৰ অনুচ্ছেদ বাতিল কৰাৰ পাছত জম্মু-কাশ্মীৰত  পোনপ্ৰথমবাৰৰ বাবে বিধানসভা নিৰ্বাচন অনুষ্ঠিত হৈছে।

০০০০০০০

নীতি আয়োগৰ মুখ্য কাৰ্যবাহী বিষয়া বি ভি আৰ সুব্ৰমন্যমে কৈছে যে, ভাৰতে ২০৩০ চনৰ ভিতৰত অতি সহজে নিজৰ অৰ্থব্যৱস্থাৰ আকাৰ দুগুণলৈ বৃদ্ধি কৰিব পাৰে। নতুন দিল্লীত আজি এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি শ্ৰী সুব্ৰমন্যমে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, ২০৪৭ চনৰ ভিতৰত ভাৰত জনসংখ্যাৰ দিশৰ পৰা বিশ্বৰ সবাতোকৈ যুৱ দেশ হিচাপে পৰিগণিত হ'ব। তেওঁ লগতে কয় যে, সেই সময়ত ভাৰতৰ আনুমানিক জনমূৰি আয় প্ৰায় ২০ হাজাৰ ডলাৰ হ'ব। জলবায়ু পৰিৱৰ্তন, ভাৰতৰ বাবে জলবায়ু প্ৰযুক্তিৰ ক্ষেত্ৰত নিজকে অগ্ৰণিৰূপে প্ৰতিষ্ঠা কৰাৰ সুযোগ বুলি মুখ্য কাৰ্যবাহী বিষয়াগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে, সেউজ অৰ্থব্যৱস্থাৰ বিষয়ে বিশেষ গুৰুত্ব আৰোপ কৰাৰ আৱশ্যকতা আছে। তেওঁ লগতে কয় যে, নীতি আয়োগে ২০৭০ চনৰ ভিতৰত শূন্য কাৰ্বন নিষ্কাষণৰ লক্ষ্যত উপনীত হোৱাৰ পথ প্ৰশস্ত কৰাৰ উদ্দেশ্যে কাম কৰি আছে।

০০০০০০০

ভাৰত আৰু বাংলাদেশৰ মাজৰ দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল কাইলৈ বাংগালুৰুৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। শৃংখলাত ৰোহিত শৰ্মাই  ভাৰতীয় দলটোৰ নেতৃত্ব বহন কৰাৰ বিপৰীতে বাংলাদেশৰ দলটোক নাজমুল হুছেইন শান্তই নেতৃত্ব প্ৰদান কৰিব। উল্লেখযোগ্য যে ভাৰত আৰু বাংলাদেশ দুখন টেষ্ট খেল আৰু তিনিখন টী-টুৱেণ্টী ক্ৰিকেট খেলত অৱতীৰ্ণ হ'ব। টেষ্ট শৃংখলাৰ দ্বিতীয়খন খেল কাণপুৰৰ গ্ৰীণ

পাৰ্ক ষ্টেডিয়ামত ২৭ ছেপ্তেম্বৰৰ পৰা অনুষ্ঠিত হ'ব। আনহাতে, টী-টুৱেণ্টী শৃংখলাৰ প্ৰথমখন খেল ৬ অক্টোবৰত গোৱালিয়ৰ, দ্বিতীয়খন ৯ অক্টোবৰত দিল্লী আৰু তৃতীয়খন খেল ১২ অক্টোবৰত হায়দৰাবাদত অনুষ্ঠিত হ'ব।

০০০০০০০

সমাপ্ত